# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

জনজাতীয় লোকসকলৰ উৎকৰ্ষ তথা কল্যাণ সাধনৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ পৰা ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযান আৰম্ভ কৰে। অহা ৩০ জুনলৈ চলিবলগীয়া এই অভিযানৰ অধীনত জনজাতীয় লোক আৰু পৰিয়ালৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে জনজাতি বসতিপ্ৰধান গাঁওসমূহলৈ গৈ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, পি এম কিষাণ, জন-ধন একাউণ্টৰ সুবিধাকে ধৰি কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যৰ ৬ হাজাৰখন জনজাতি বসতিপ্ৰধান গাঁৱক সামৰি চলিত বছৰত এই অভিযান ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰৱৰ্তী ৫ বছৰত প্ৰতিখন গাঁৱতে এই কাৰ্যসূচী চলিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অভিযান শুভাৰম্ভ কৰাৰ বাবে আয়োজিত ৰাজহুৱা সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে জনজাতীয় লোকসকলৰ ঐতিহ্য সংৰক্ষণ আৰু সাংবিধানিক সুৰক্ষা প্ৰদানৰ বাবে চৰকাৰে গুৰুত্ব সহকাৰে কাম কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

তেওঁ কয়, যে এই অভিযানৰ অধীনত সামাজিক দিশত গুৰুত্বপূৰ্ণ ব্যৱধান দূৰ কৰি আৰ্থিক স্বাৱলম্বিতা বৃদ্ধি, গুণগত শিক্ষা, স্বাস্থ্যসেৱা আৰু জীৱিকাৰ সুবিধা প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ আগেয়ে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ডিব্ৰুগড়ৰ দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো অহা বছৰৰ ছেপ্তেম্বৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পুষ্টিকৰ মধ্যাহ্ন ভোজন দিয়া হ'ব। এই আঁচনিৰ বাবে কোনো মধ্যাহ্ন ভোজনৰ আঁচনিৰ ৰান্ধনিয়ে চাকৰি হেৰুৱাব নালাগে আৰু তেওঁলোক ৰন্ধাৰ পৰিৱৰ্তে বিদ্যালয়ত খাদ্য বিতৰণৰ কামত নিয়োজিত হ'ব। অসমৰ বিভিন্ন প্ৰান্তত এনে বহু ৰান্ধনিঘৰ স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইয়াৰ লগতে খাদ্য পৰিকল্পনা বৃদ্ধি কৰি ৰান্ধনিঘৰ প্ৰকল্পটোৱে ৰাইজৰ মাজত খাদ্য যোগান আৰু আহাৰ সম্পৰ্কীয় সজাগতা বৃদ্ধিৰে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰকল্পটোত এহেজাৰ ৭০০ বৰ্গ মিটাৰৰ এটা ৰান্ধনিঘৰৰ লগতে প্ৰশাসক, জ্যেষ্ঠ প্ৰবন্ধকৰ আৱাস আৰু প্ৰশিক্ষণ ভৱনৰ দৰে সুবিধা থাকিব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা, চিকিৎসা মন্ত্ৰী প্ৰশান্ত ফুকন, পৰিবহণ মন্ত্ৰী যোগেন মহন, বিধায়ক চক্ৰধৰ গগৈকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

স্বাধীনতা সেনানী ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক গ্ৰেপ্তাৰ কৰি মৃত্যু দণ্ডৰ হুকুম দিয়া হৈছিল। ১৯৪৩ চনৰ আজিৰ তাৰিখতে কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানী গৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ গৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে দেশ প্ৰেমৰ অনন্য নিদৰ্শন দাঙি ধৰি ছহিদ হোৱা এইগৰাকী বীৰ সেনানীৰ মাতৃভূমিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাক ৰাজ্য তথা দেশবাসীয়ে সদায় সোঁৱৰণ কৰিব বুলি প্ৰকাশ কৰে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি ৪২ৰ ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ নেহৰু পাৰ্কত আয়োজিত অনুষ্ঠানত বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ছহিদৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পণ কৰে। অনুষ্ঠানৰ অংশ হিচাপে আয়োজিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত কস্তুৰবা সেৱাশ্ৰমৰ সেৱিকাসকলে গীতা আৰু উপনিষদ, হাফিজ মৌলানা মুস্তাকিং নাজীৰিয়ে কোৰাণ পাঠ, ভগত সিঙে গ্ৰন্থছাহিব, ক্ষমানন্দ ভিক্ষুৰে ত্ৰিপিটক আৰু দ্বীপেন বড়োৱে বাইবেল পাঠ কৰে। আজিৰ অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰা উপলক্ষে আজি বাক্সা জিলাৰ মুছলপুৰত আয়োজিত এখন সংবাদ মেলত অংশ লৈ মন্ত্ৰী ৰণজিত কুমাৰ দাসে কয় যে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দৰিদ্ৰসকলৰ কল্যাণৰ হকে কাম কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি কয় যে দুখীয়াক বাসস্থান প্ৰদান কৰাৰ লগতে এইখন চৰকাৰে বিদ্যুৎ, শৌচালয়, গেছ চিলিণ্ডাৰ, খাদ্য আদি সকলো প্ৰয়োজনীয় সামগ্ৰী আগবঢ়াবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে দেশৰ কেইবা কোটিও লোকক বেংক একাউণ্ট খুলি দিয়াৰ কথাও উল্লেখ কৰে। সংবাদ মেলত বি টি আৰৰ কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতাই অংশগ্ৰহণ কৰে।

০০০০০

ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসম, কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত দেৱালয়ৰ প্ৰাঙ্গনত একাদশ আন্তৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে কাউণ্ট ডাউন কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত আৰ্ট অৱ লিভিঙে সহযোগ কৰে। অনুষ্ঠানত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী, দেৱালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ লগতে কেবাখনো বিদ্যালয়ৰ ৪০০ ৰো অধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত